বছা হয়। ইয়াত আখৰে (শব্দই) ফুলৰ ৰূপ ধাৰণ কৰে। এনেবোৰ ম'টিফযুক্ত ডিজাইনক 'থাপনাফুল' বুলিও কোৱা হয়। বিহুত উপহাৰ দিয়া বিহুৱানখন, বিহুৱাই মূৰত বন্ধা বা ঢোলটোত মেৰিয়াই লোৱা গামোচাখনত নানা তৰহৰ ফুলৰ লগতে জাপি, পেঁপা, ঢোল আৰু কেতিয়াবা নাচি থকা ডেকা-গাভৰুৰ ফুলৰ চানেকি পোৱা যায়। জাপিৰ ম'টিফবোৰ লগলগাই কৰা ডিজাইনত উপবৃত্তৰ বোৱন মন কৰিবলগীয়া।

**জ্যামিতিক ম'টিফ ঃ** জ্যামিতিক ম'টিফবোৰো প্ৰকৃতিৰ বিভিন্ন উপাদানৰ পৰা প্ৰভাৱিত হৈ গঠন হোৱা আলংকাৰিক চিহ্ন। অসমীয়া জ্যামিতিক ম'টিফ সম্পৰ্কে ড° লাৱণ্য মজুমদাৰে 'Taxtile Tradition of Assam, an empirical study'ত উল্লেখ কৰিছে—'It is believed that the wonderful unity, orderlines, harmony of line and curve, the symmetry of form and shape which are all intrinsic characteristics of nature have inspired the geometrical designs.

মন কৰিবলগীয়া যে জ্যামিতিক ম'টিফত ফুলৰ ভাৰসাম্য বা সামঞ্জস্য বজাই ৰাখিলে শিপিনীৰ সুবিধা হয়। ফুলবোৰ ভাগ ভাগ কৰি ওলোটাই মিলাব পাৰি, ভাঙিব পাৰি কাৰণে এই ফুলক 'ভঙাফুল' বুলিও কয়।

সৰুকৈ বছা হীৰাখণ্ডাকৃতিৰ মাজত ফুটযুক্ত ম'টিফ অসমৰ সকলো প্ৰান্ততে পোৱা যায়। ইয়াক মেখেলা-চাদৰতো বোৱা হয়। অসমীয়া শিপিনীয়ে এই ফুলক কয় 'গুণাফুটুকী'; ই চকুৰ জ্যামিতিক ৰূপৰ ম'টিফ। সৰল 'ধাৰফুল' ম'টিফে নৈৰ পানীৰ ধাৰ বা সোঁতক বুজায়। জ্যামিতিক ৰূপত গলপতা, গামখাৰুৰো ফুল গামোচাত বছা হয়। পৰম্পৰাগতভাৱে চলিত 'মোকৰ্দমা ফুল'ৰ জ্যামিতিক জটিলতা বেছি। ইয়াত চাৰিচুকীয়াৰ দুটা চুক উলম্বভাৱে ৰখা হয়। শংকুৰ উপস্থিতিও লক্ষ্যণীয়। Symmtery ইয়াতো মূৰ্ত, যদিও ভঙাফুলবোৰৰ দূৰত্ব বাঢ়ে। এটাক আনটোৰ পৰা পৃথক কৰি চালে আখজা লাগে। এই ফুল সফলতাৰ প্ৰতীক। অসমীয়াৰ লোকবিশ্বাস যে এনে ফুলৰ চানেকিৰ গামোচা ডিঙিত আঁৰি পূৰ্বতে স্বৰ্গদেউৰ চৰায়েই হওক বা বৰ্তমানৰ ক'ৰ্ট-কাছাৰীয়েই হওক; মোকৰ্দমালৈ গ'লে জয় নিশ্চিত।

ৰেখা, ত্ৰিভুজ, হীৰাকৃতিৰে পখিলা, ঔ-ফুল বা বিভিন্ন ফুল, গছৰ চানেকিও তোলা হয়। 'পাহাৰৰ আগ' ফুল অসমীয়া গামোচাত পোৱা একমাত্ৰ পৰম্পৰাগত ফুল; ইয়াৰ দ্বাৰা ভৌগোলিক স্থানৰ দৃশ্যক চিত্ৰায়িত কৰা হয়।

বৰ্তমান সময়ত অসমীয়া পৰম্পৰাগত ফুলৰ চানেকিৰ সৈতে আমদানি ঘটা আধুনিক ন ন ডিজাইনৰ মিশ্ৰণ ঘটিছে। বহু সময়ত শিপিনীগৰাকীয়ে বিচিত্ৰতা দিবলৈ যাওঁতে পৰম্পৰাগত মূল ম'টিফবোৰ হেৰাই থাকে। তেনে ক্ষেত্ৰত নান্দনিকতাৰো নৱমূল্যায়ন কৰিবলগীয়া হয়; কিন্তু আচল ৰূপটো আশ্ৰিত ৰূপৰ পৰা বিশ্লেষণ কৰা কঠিন হৈ পৰে। নান্দনিকতাৰ নিৰিখত অসমীয়া ফুলাম গামোচাখনৰ বিভিন্ন শিল্পকৰ্মৰ আলোচনা বা চৰ্চা কেৱল অতীতৰ অন্বেষণ অথবা লোকসমাজ, জাতি, মনস্তত্বৰ বিশ্লেষণ নহয়, লোকশিল্পৰ চৰ্চা আনন্দৰ মাজতো বৰ্তি আছে। লোকসংস্কৃতিয়েই হৈছে এক শৈল্পিক প্ৰক্ৰিয়া, ডেন-বেন-আমোছৰ সেই সুন্দৰ উক্তি—"Folklore is the action that happens at that time. It is an artistic action. It involves creativity an aesthetic response." সেই কাৰণে লোকশিল্পৰ সৌন্দৰ্যই আমাৰ দৰে ৰসগ্ৰাহীক মুগ্ধ কৰে। সেয়েহে নন্দনতাত্বিক মূল্য বা প্ৰয়োজনীয়তাৰ দিশৰ পৰা গামোচাৰ ফুলৰ বিভিন্ন ম'টিফৰ চৰ্চাৰ গুৰুত্ব অস্বীকাৰ কৰিব নোৱাৰি। প্ৰথাগতভাৱে চলি অহা এই শিল্পৰ উপকৰণ, উপাদান, বিষয়বস্তু, আংগিক নিৰ্বাচন তথা সৃজনত মাথোঁ নিৰ্দিষ্ট এগৰাকী শিপিনীৰে মৌলিকতা প্ৰকাশৰ কোনো সুযোগ নাই, ই বৃহত্তৰ অসমৰ জাতি-জনজাতীয় সমাজৰ উমৈহতীয়া আৰু ব্যাপ্ত শিল্প। এই দৃষ্টিনন্দন আৰু তত্বগত শিল্পৰ শিল্পৰসিক হৈছে এখন বৃহত্তৰ মানৱ সমাজ। অসমৰ বাৰেবৰণীয়া গোষ্ঠীসমূহে প্ৰজন্মে প্ৰজন্মে কঢ়িয়াই অনা মানসিক ধাৰণাৰ মিশ্ৰিত ভাবনাৰে সৃষ্ট বৃহত্তৰ অসমীয়া সমাজৰ আদৰৰ গামোচাখনৰ নিৰ্মাণ আৰু তাৰ নান্দনিক মূল্য প্ৰদান কৰা প্ৰতীকলেখৰ গাম্ভীৰ্যক বাহিৰৰ পৰা অহা, কলত নিৰ্মিত বিভিন্ন ডিজাইনৰ ফুলে কেতিয়াও মোলান পেলাব নোৱাৰে। পৰম্পৰাগত ফুলে অসমীয়া শিপিনীৰ নান্দনিক চেতনাক বিস্তৃতিহে দিছে। অসমীয়া গামোচাৰ ৰং-ৰূপ, প্ৰতীকলেখ আৰু তাৰ গভীৰতাত নিমজ্জিত লোকজীৱনৰ চেতন আত্মা সদায়েই সুকীয়া।

**সহায়ক গ্ৰন্থপঞ্জী ঃ**


(১) Arts and the man : An introduction to aesthetics–Irwin Edman

(২) Indian Folk arts and Crafts–Jasleen Dhamija

(৩) Textile Tradition of Assam, An empirical study–Dr. Labanya Mazumdar

(৪) শিল্পকলাৰ উপলব্ধি আৰু আনন্দ—নীলমণি ফুকন

(৫) অসমৰ লোককলা—যুগল দাস


**তথ্য দাতা ঃ**

প্ৰণিতা কলিতা, আমোদপুৰ, কামৰূপ
মীনা দাস, নোৱাভিঠা, কামৰূপ
বন্দনা গোস্বামী, আজাৰা, কামৰূপ
পৰমেশ্বৰী নাথ, যোৰহাট
তুলিকা বৰুৱা, গোলাঘাট
নিৰোদা ঠাকুৰীয়া, শুৱালকুছি


ঠিকনা ঃ নোৱাপাৰা গাঁও, ডাক ঃ ছয়গাঁও-৭৮১১২৪, কামৰূপ, ফোন ঃ ৮৪৮৬১৩৭২৩০


## প্ৰান্তিকৰ লেখক-লেখিকাসকললৈ আহ্বান

ই-মেইলযোগে প্ৰান্তিকলৈ পঠোৱা লেখাসমূহৰ বহুতে ম'বাইলেৰে অস্পষ্টকৈ ফটো তুলিও লেখা এটা ই-মেইল কৰে। আমালৈ পঠোৱা একেটা লেখাকে অন্য কাকত-আলোচনীলৈও পঠিয়াই আমাক অসুবিধাত পেলায়। আনহাতে লেখা এটা আমালৈ ই-মেইল কৰিয়েই বহুতে লেখাটো পাইছোঁ নে নাই, লেখাটো কেতিয়াকৈ প্ৰকাশ পাব ইত্যাদি কথাৰ উত্তৰ বিচাৰে। সকলো লেখা আমাৰ হাতত পৰাৰ পাছত সেইসমূহ নথিভুক্ত কৰি, পৰ্যায়ক্ৰমে পঢ়ি এটা সিদ্ধান্তলৈ আহিবলৈ আমাক কিছু সময় লাগে। এই ক্ষেত্ৰত সদাশয় লেখক-লেখিকাসকলৰ সহযোগিতা বিচাৰিছোঁ। তদুপৰি বহুতে লেখাটোৰ সৈতে পিনক'ডসহ সম্পূৰ্ণ নাম-ঠিকনা, ফোন নম্বৰ উল্লেখ নকৰে। এই ধৰণৰ ত্ৰুটিপূৰ্ণ লেখা প্ৰান্তিকত প্ৰকাশৰ বাবে বিবেচনা কৰা নহয়। পেজমেকাৰত ৰামধেনু ছফ্টৱেৰৰ গীতাঞ্জলি ফন্টতহে 'prantikasomiya@gmail.com' ঠিকনাত নিজৰ ই-মেইলসহ সম্পূৰ্ণ নাম-ঠিকনা, পিনক'ড আৰু ফোন নম্বৰ উল্লেখেৰে লেখা প্ৰেৰণ কৰিব। প্ৰকাশিত লেখাৰ বাবদ মাননি পঠাবলৈ লেখক-লেখিকাসকলে বেংকৰ বিতং তথ্য (একাউণ্ট নম্বৰ, আই এফ এছ ছি ক'ড ইত্যাদি) লেখাটোৰ সৈতে উল্লেখ কৰিব। ই-মেইলত পঠোৱা লেখা পুনৰ ডাকযোগেও নপঠাব।

—সম্পাদক